অকঁণিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে

# যীচুৰ জন্ম



লিখিছে: Edward Hughes

ব্যাখ্যা কৰিছে: M. Maillot

গ্ৰহন কৰিছে: E. Frischbutter; Sarah S.

অনুবাদ কৰিছে: ড: শান্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.

প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

©2011 Bible for Children, Inc.
অনুমতি: এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে,
কিন্তু হটয়াক বিক্ৰি নকৰিব।

বহুত দিনৰ আগতে, ঈশ্বৰে গাব্রিয়েল দূতক মৰিয়ম নামে এগৰাকী অতি মৰমলগা যিহূদী কন্যাৰ ওচৰলৈ পঠাইছিল।



তেওঁ মৰিয়মক কলে, “তুমি এটিট পুত্ৰ সন্তান প্ৰসৱ কৰিবা আৰু তেওঁৰ নাম যীচু থবা। তেওঁক সৰ্ব্বোপৰি ঈশ্বৰৰ পুত্ৰ বুলি জনা যাব, তেওঁ চিৰকাল ৰাজত্ব কৰিব”।



আচৰিত হৈ ছোৱালীজনীয়ে কলে, “হট কেনেকৈ হ’ব পাৰে? মহট কোনো পুৰুষৰ লগত থকা নাহটা।” দূতে মৰিয়মক ক’লে যে এহট সন্তান ঈশ্বৰৰ পৰা আহিব। তেওঁৰ কোনো জাগতিক পিতৃ নাথাকিব।



দূতে মৰিয়মক কৈছিল যে তাহঁতৰ জ্ঞাতি

এলীচাবেথেও বৃদ্ধ বয়সত গৰ্ভৱতী

হৈছে। হটয়ো এক আচৰিত

কৰ্ম্ম আছিল। হটয়াৰ

কিছুদিন পিছতে মৰিয়মে

এলীচাবেথৰ ঘৰলৈ

গ'ল। তেওঁলোকে

একেলগে ঈশ্বৰৰ

প্ৰশংসা কৰিলে।



যোচেফ নামে এগৰাকী ব্যক্তিৰ লগত বিবাহ হোৱা কাৰণে মৰিয়মক বাগ্দান কৰা হৈছিল। মৰিয়ম সন্তান স ৱা শুনি যোচেফে দুখ পাহটছিল। তেওঁ ভাবিছিল যে অন্য কোনোৱা এজন সেহট সন্তানৰ পিতৃ।



সপোনত দৰ্শণ দি ঈশ্বৰৰ দূতে যোচেফক কৈছিল যে, এইটো সন্তান ঈশ্বৰৰ পুত্ৰ। যীচুৰ তত্ত্বাৱধান লোৱা ক্ষেত্ৰত যোচেফে মৰিয়মক সহায় কৰিব লাগিব।



যোচেফে ঈশ্বৰক বিশ্বাস কৰি আৰু তেওঁৰ বাধ্য হৈছিল।
তেওঁ নিজৰ দেশৰ বিধানৰো
বাধ্য আছিল।



এক নতুন বিধানৰ কাৰণে, তেওঁ আৰু মৰিয়মে, কৰ দিব উদ্দেশ্যে
তেওঁলোকৰ নিজা ঘৰুৱা
নগৰ বৈৎলেবেমলৈ
গৈছিল।




মৰিয়ম সন্তান প্ৰসৱৰ
সময় ওচৰ চাপিছিল।


কিন্তু তেওঁলোকৰ কাৰণে
যোচেফে ক’তো ঠাইট বিচাৰি
পোৱা নাছিল। আলহী
ঘৰবোৰ মানুহেৰে
ভৰি পৰিছিল।

অৱশেষত যোচেফে এটিট গোহালীঘৰ বিচাৰি পাইছিল।
সেইট ঠাইটতে কেচুৱা যীচুৰ জন্ম
হৈছিল।



জন্তুবোৰে দানা খোৱা পাত্ৰত তেওঁৰ মাতৃ মৰিয়মে তেওঁক শুৱাইট থৈছিল।



ওচৰৰ পথাৰতে মেৰৰখীয়াসকলে তেওঁলোকৰ শুহটথকা মেৰবোৰ পৰদি ৰখি আছিল। ঈশ্বৰৰ দূতে তেওঁলোকৰ আগত দেখা দি তেওঁলোকক শুভসংবাদটিট দিছিল।




“আজি দায়ূদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্ত্তা জন্মিল,
তেওঁ অভিষিক্ত প্ৰভু। তোমালোকে লৰাটিক
কাপোৰেৰে মেৰিয়াহট
দানাপাত্ৰত
শুৱাহট থোৱা
দেখা পাবা।”

হঠাতে আৰু অনেক উজমল দূতৰ আৰ্বিভাৱ হৈছিল, তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰি কৈছিল, . . .




...“উৰ্দ্ধলোকত ঈশ্বৰৰ মহিমা, আৰু পৃথিৱীত,
প্ৰীতিৰ পাত্ৰ মানুহবিলাকৰ মাজত শান্তি।”

মেৰৰখীয়াসকল ততাতয়াকৈ গোহালীলৈ গল। কেচুৱাটিটক দেখা পিছত, তেওঁলোকে লগ পোৱা সকলোকে দূতে তেওঁলোকক যীচুৰ বিষয়ে জনোৱা সকলো কথা জনালে।





আঠ দিনৰ ফিছত, যোচেফ আৰু
মৰিয়মে যীচুক যিৰূচালেম
মন্দিৰলৈ লৈ গৈছিল।
তাত চিমিয়োন নামে
এজন ব্যক্তিয়ে যীচুৰ
কাৰণে ঈশ্বৰৰ প্ৰশংসা
কৰিছিল আৰু ঈশ্বৰৰ
দাসী হান্না নামে এগৰাকী
বৃদ্ধ মহিলাইট প্ৰভুক
ধন্যবাদ দিছিল।



তেওঁলোক দুয়ো জানিছিল যে, যীচু ঈশ্বৰৰ পুত্ৰ, আৰু প্ৰতিজ্ঞা কৰা ত্ৰাণকৰ্ত্তাজনা। যোচেফে এজোৰ চৰাইহট বলি দিছিল। এটিট নবজাত শিশুক ঈশ্বৰৰ সন্মুখত আগবঢ়োৱাৰ সময়ত দুখীয়া সকলে প্ৰভুৰ উদ্দেশ্যে দিব লগিয়া দান, যি দানৰ বিষয়ে ঈশ্বৰৰ বিধানে কৈছিল।



কিছুদিনৰ পিছত,
এটিট বিশেষ তৰাহট
পূৱ দেশৰ জ্ঞানী পণ্ডিত
কেহটজনমানক

যিৰূচালেমলৈ লৈ আনিছিল।
তেওঁলোকে সুধিলে, “যীহূদীবিলাকৰ যি
ৰজা জন্মিল তেওঁ ক’ত? কিয়নো আমি
তেওঁক প্ৰণিপাত কৰিবলৈ আহিলো।”

ৰজা হেৰুদে জ্ঞানী পণ্ডিতসকলৰ বিষয়ে শুনিছিল। তেওঁ চিন্তিত হৈছিল, আৰু যীচুক বিচাৰি পালে তেওঁকো খবৰ দিবলৈ তেওঁলোকক কৈছিল।



হেৰুদে কৈছিল, “ময়ো
তেওঁক প্ৰণিপাত কৰিব
বিচাৰো”। কিন্তু তেওঁ
মিছা মাতিছিল। তেওঁ
যীচুক বধ কৰিবলৈ
বিচাৰিছিল।





তৰাটিটয়ে মৰিয়ম যোচেফ আৰু শিশুটিট থকা সঠিক ঘৰলৈ জ্ঞানী পণ্ডিতসকলক চলাইট লৈ আনিছিল। তেওঁৰ আগত প্ৰণিপাত কৰি যাত্ৰী কেইটজনে যীচুক সোণ আৰু সুগন্ধি দ্ৰব্যৰ বহুমূলীয়া উপহাৰ দিছিল।

গুপুতে নিজ নিজ ঘৰলৈ উলটি
যাবলৈ ঈশ্বৰে জ্ঞানী পণ্ডিত
কেইজনক সাৱধান কৰি দিছিল।
হেৰোদ ক্ৰোধিত হৈ পৰিছিল।



যীচুক ধ্বংস কৰা দৃঢ়তাৰে,
ধূৰ্ত্ত শাসকজনে বৈৎলেহেমৰ
প্ৰতিটো লৰা সন্তানক
বধ কৰিছিল।





কিন্তু হেৰুদে ঈশ্বৰৰ পুত্ৰৰ কোনো ধৰণৰ অপকাৰ কৰিব নোৱাৰিলে! সপোনতে এটিট সাৱধান বানী পায় যোচেফে মৰিয়ম আৰু যীচুক নিৰাপদ ঠাইট মিচৰলৈ লৈ গৈছিল।

হেৰুদৰ মৃত্যু হোৱাত যোচেফে মৰিয়ম আৰু যীচুক মিচৰৰ পৰা লৈ আনিছিল।



গালীল সাগৰৰ কাষত নাচৰত্ নামে এখন সৰু নগৰত তেওঁলোকে নিবাস কৰিছিল।

# যীচুৰ জন্ম

ঈশ্বৰৰ বাক্য, বাইবেলত,

এইট কাহিনী পোৱা যায়

মথি ১ - ২ , লূক ১ - ২ অধ্যায়।

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”

গীতমালা ১১৯: ১৩০ পদ।

সমাপ্ত

বাইবেলৰ এইট কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাইট আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাইট আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাইট দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাইট ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াইট আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এইট সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা: প্ৰিয় যীচু, মইট বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মইট নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াইট থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইটবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!

যোহন ৩: ১৬ পদ।